।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

# অসম সাহিত্য সভাৰ

# নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা

কাৰ্যালয় :: সাৰ্বজনীন কেন্দ্ৰ চৌহদ, শোধনাগাৰ নগৰাঞ্চল, কানাইঘাট - ৭৮৫ ৬৯৯, জিলা :: গোলাঘাট
পঞ্জীয়ন ক্ৰমাংক : ২/২০০১-২০০২, দিনাংক : ০৭-০৭-২০০১

---

প্ৰসঙ্গ : নু:শো:শা:সা:স:/অধি/২০০৮ দিনাংক : ০৬-০২-২০০৮

প্ৰতি,

মাননীয়/মাননীয়া,

নমস্কাৰ গ্ৰহণ কৰিব । যোৱা ৪ আৰু ৫ ফেব্ৰুৱাৰী'০৮ ইং তাৰিখ সোম আৰু মঙ্গলবাৰে শোধনাগাৰ শাখা সাহিত্য সভাৰ ষষ্ঠ (দ্বিতীয় অন্তৰ্ৱৰ্তীকালীন) অধিবেশনখনিৰ বিভিন্ন কাৰ্যসূচীৰ সফল সমাপ্তি হয়। উক্ত অধিবেশন খনি সকলো দিশত সাফল্য মণ্ডিত তথা সৰ্বাঙ্গসুন্দৰ কৰি তোলাত সহায় সহযোগ আগবঢ়োৱা অশীতিপৰ বৃদ্ধ শিল্পী দম্পতী মাননীয় শ্ৰীযুত দিলীপ শৰ্মা আৰু মাননীয়া শ্ৰীযুতা সুদক্ষিণা শৰ্মা, সন্মানীয় অতিথি সভাৰ মুখপত্ৰ (কাঁচিয়লি)ৰ উন্মোচক মাননীয় ড° কুলেন্দু পাঠক, কবিতা সংকলন (তোমাৰ মান শুৱনি নাই)ৰ উন্মোচক মাননীয় ড° ভূপতি কুমাৰ দাস, গল্প সংকলন (কলিয়নী পাৰৰ গল্প)ৰ উন্মোচক মাননীয় শ্ৰীযুত দীপক চক্ৰবৰ্তী, শ্ৰব্য চি ডি (কাকলি)ৰ উন্মোচক মাননীয় ডা° মৃণাল চৌধুৰী, বনগীতৰ শিল্পী মাননীয় শ্ৰীযুত অৰবিন্দ পাঠক, আমন্ত্ৰীত অতিথিসকল, যুৱতীৰ্থৰ সমূহ কৰ্মকতা, অভিনেতা শ্ৰীযুত অৰুণ নাথ, তেজপুৰ কৰুণাময়ী কলা নিকেতনৰ অধ্যক্ষা শ্ৰীযুতা কৃষ্ণা নাথ দাস প্ৰমুখ্যে সকলো অভিনেতা ও কলা-কুশলী, সমূহ লেখক-লেখিকা, সভাৰ সদস্য/সদস্যা, শোধনাগাৰ তথা নগৰাঞ্চলৰ সংশ্লিষ্ট সকলো পক্ষলৈ এই পত্ৰৰে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো । লগতে আমাৰ অজানিত আৰু অসাৱধানবশত হোৱা ক্ৰুতি-বিচ্যুতিৰ বাবে নতশিৰে দোষ স্বীকাৰ কৰি ক্ষমা ভিক্ষা বিচাৰিছো ।

''জয়তু জননী বিশ্বৰূপীনি''

(ভূপেন্দ্ৰ নাৰায়ন শৰ্মা)
সম্পাদক

(অশোক কুমাৰ সেনাপতি)
সভাপতি